নং ঃ ৫২৫/২০২০

# বিশিষ্ট শিল্পী উদয় শংকৰ শইকীয়াৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২ আগষ্ট ঃ** শংকৰী কলা-কৃষ্টিৰ সাধক তথা লোক সংস্কৃতিৰ শিল্পী উদয় শংকৰ শইকীয়াৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিতাৰে প্ৰয়াত উদয় শংকৰ শইকীয়াই আমাৰ সাংস্কৃতিক জগতলৈ যি অনৱদ্য অৰিহণা আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত শইকীয়া মঞ্চ, বোলছবি, দূৰদৰ্শন-অনাতাঁৰ অভিনেতা, ৰূপ সজ্জাকাৰ, দৃশ্য সজ্জাকাৰ, নাট্যকাৰ আৰু পৰিচালক হিচাপে বহুমুখী প্ৰতিভাৰ স্বাক্ষৰ বহন কৰি আমাৰ সাংস্কৃতিক জগতখনক উজলাই তুলিছিল। নটসূৰ্য ফণী শৰ্মা আৰু কলাগুৰু বিষ্ণু ৰাভাৰ সান্নিধ্যলৈ আহি আমাৰ নাট্য কলাক বিকশাই তুলিছিল। এই গৰাকী বিশিষ্ট শিল্পীৰ বিয়োগ সমাজ তথা সাংস্কৃতিক জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত উদয় শংকৰ শইকীয়াৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২/০৮/২০২০**